# নিবিদা জাননীৰ আৰ্হি

## ........................................ আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যালয়

## বজাৰ/ঘাট/মীনমহল বন্দবস্তিৰ নিবিদা

ইয়াৰ দ্বাৰা সৰ্ব্ব সাধাৰণ ৰাইজক জনোৱা যায় যে, .................... আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত নিম্নোক্ত বজাৰ/ঘাট/মীনমহলবোৰ ১৯৯৪ চনৰ অসম পঞ্চায়ত আইনমতে ................ বৰ্ষৰ বাবে অৰ্থাৎ ইং ১-৭ ........... তাৰিখৰ পৰা ৩০-৬ ............ তাৰিখলৈ এবছৰৰ বাবে নিবিদাযোগে বন্দবস্তি দিয়া হ'ব। বজাৰ/ঘাট/মীনমহল বন্দবস্তি পাবলৈ ইচ্ছুক প্ৰাৰ্থীৰ পৰা ৮.২৫ টকা (আঠ টকা পঁচিশ পইচা) ন্যায়ালয়ৰ শুল্ক লগোৱা লাৰ মোহৰযুক্ত খামত নিবিদা আহ্বান কৰা হ'ল।

নিবিদাসমূহ অহা ইং .......................... তাৰিখে দিনৰ ২ বজালৈকে আঞ্চলিক পঞ্চায়ত কাৰ্য্যালয়ত গ্ৰহণ কৰা হ'ব আৰু সেইদিনাই নিবিদাকাৰী/নিবিদাকাৰীৰ প্ৰতিনিধিৰ সাক্ষাতত ৩ বজাত খোলা হ'ব যদিহে অন্য কোনো অসুবিধা নাথাকে।

| ক্ৰমিক নং | বজাৰৰ নাম | চৰকাৰী নিৰিখ | আমানত ধন |
|---|---|---|---|
| | | | |
| | | | |

**বজাৰ/ঘাট/মীনমহল আদিৰ নিবিদাৰ চৰ্তাৱলীঃ-**

### প্ৰথম খণ্ড

১) বজাৰ/ঘাট/মীনমহল/পাউণ্ড বন্দবস্তিৰ বাবদ পূৰ্ব্বতে টকা দিবলৈ বাকী থকা লোক আৰু তেওঁৰ পৰিয়ালৰ সদস্যই নিবিদা দাখিল কৰিব নোৱাৰিব।

২) নিৰ্দিষ্ট ব্যক্তি বিশেষৰ পৰিৱৰ্তে কোনো শিক্ষানুষ্ঠান, সামাজিক অনুষ্ঠান, সন্থা, সমিতি বা তেনেধৰণৰ অনুষ্ঠান আদিৰ নামত নিবিদা দাখিল কৰিব নোৱাৰিব আৰু এনে নিবিদা পোনপটীয়াকৈ নাকচ কৰা হ'ব।

৩) আঞ্চলিক পঞ্চায়তক ৩০০.০০ টকা জমা দি নিবিদা ফৰ্ম আৰু অনুসংগিক নথি পত্ৰ ল'ব লাগিব।

৪) প্ৰতি বজাৰ/ঘাট/মীনমহলৰ বাবে পৃথকে পৃথকে নিবিদা দাখিল কৰিব লাগিব।

৫) প্ৰত্যেক নিবিদাকাৰীয়ে সম্পূৰ্ণ নাম, ঠিকনা ও আৰক্ষী থানা উল্লেখ কৰিব লাগিব।

৬) আঞ্চলিক পঞ্চায়তে যোগান ধৰা মূল নিবিদাৰ ফৰ্মতহে নিবিদা দাখিল কৰিব লাগিব। কোনো ক্ষেত্ৰতে নিবিদা ফৰ্মৰ ফটোষ্টেট কপিৰ নিবিদা গ্ৰহণ কৰা নহ'ব।

৭) নিবিদা দাখিল কৰাৰ পাছত নিবিদা উঠাই ল'ব নোৱাৰিব। তেনে কৰিলে আৰু বন্দবস্তি প্ৰাপ্ত নিবিদাকাৰীয়ে বন্দবস্তি গ্ৰহণ নকৰিলে আমানত ধন বাজেয়াপ্ত কৰা হ'ব।

৮) নিবিদা দাখিলৰ ও খোলাৰ দিনা চৰকাৰী বন্ধৰ দিন ঘোষণা কৰিলে পৰৱৰ্ত্তী কাৰ্য্যালয় খোলাৰ দিনিত নিবিদা গ্ৰহণ কৰা হ'ব।

৯) কোনো বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ নিবিদাৰ মূল্য উপযুক্ত বিবেচনা নহ'লে পুনৰ নিবিদা আহ্বান কৰা হ'ব।

### দ্বিতীয় খণ্ড

১০) ক) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাত ১,০০,০০০.০০ (এক লাখ) টকাৰ ওপৰৰ বজাৰ/ঘাট/ মীনমহল/পাউণ্ড তালিকাত উল্লেখ কৰামতে ১০% আমানতৰ ধন জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়াৰ আধিত (Pledge) কৰি অসম কো-অপাৰেটিফ এপেক্স বেংক, অসম গ্ৰামীন বিকাশ বেংক অথবা যি কোনো ৰাষ্ট্ৰীয়কৃত বেংকৰ নুন্যতম এবছৰৰ (Fixed Deposit) নিবিদাৰ লগত গাঁঠি দিব লাগিব। অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ লোকে ৫০% (পঞ্চাশ শতাংশ) আমানতৰ ধন ৰেহাই পাব। উক্ত জাতিৰ প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি নিবিদাৰ লগত গাঁঠি দিব লাগিব।